**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2024
**Time :** 1340 Hrs.

## ***Assamese Midday Bulletin***
## **Headlines**

১। অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আজি আৰম্ভ হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লোকসভা অধিৱেশনৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত প্ৰ'তেম অধ্যক্ষ ভাৰ্তুহাৰি মহতাবক শপত বাক্য পাঠ কৰোৱায়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে অষ্টাদশ লোকসভা অধিবেশন বিকশিত ভাৰত নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰ সৈতে আৰম্ভ হৈছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে দ্বাদশ পাছপোৰ্ট সেৱা দিৱস উপলক্ষে দেশৰ সকলো পাছপোৰ্ট সংস্থাক শুভেচ্ছা জনাইছে।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে ছুপাৰ এইট পৰ্যায়ত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আজি আৰম্ভ হৈছে। লোকসভা অধিৱেশনৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰ'তেম অধ্যক্ষ ভাৰ্তুহাৰি মহতাবক শপত বাক্য পাঠ কৰোৱায়। অধিৱেশনত প্ৰথমে নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰথমে সদনৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। প্ৰ'তেম অধ্যক্ষ ভাৰ্তুহাৰি মহতাবে শ্ৰীমোডীক শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পাছত স্থায়ী অধ্যক্ষ নিৰ্বাচন নোহোৱা পৰ্যন্ত শ্ৰীমহতাবক সহায় কৰিবলৈ নিযুক্তি দিয়া অধ্যক্ষ পেনেলৰ শপত গ্ৰহণ কৰোৱা হয়। বিজেপিৰ সাংসদ ৰাধামোহন সিং আৰু ফগ্গন সিং কুলাষ্টে অধ্যক্ষ পেনেলৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অৱশ্যে কংগ্ৰেছৰ সাংসদ কে সুৰেশ, ডি এম কে সাংসদ টি আৰ বালু আৰু তৃণমূল কংগ্ৰেছৰ সুদীপ বন্দোপধ্যায়ে পেনেলৰ সদস্য হিচাপে শপত লোৱাৰ পৰা বিৰত থাকে। ইয়াৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, শিৱৰাজ সিং চৌহান, নীতিন গাডকাৰী, মনোহৰ লাল, পীয়ুষ গোৱেল, জিতন ৰাম মাঝি, ৰাজীৱ ৰঞ্জন ওৰফে লল্লন সিং, ড০ বীৰেন্দ্ৰ কুমাৰ, কিৰেণ ৰিজিজু, চিৰাগ পাছোৱান আৰু আনসকলে লোকসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীদ্বয় এইছ ডি কুমাৰাস্বামী আৰু প্ৰহ্লাদ যোশীয়ে কানাড়া ভাষাত শপত গ্ৰহণ কৰাৰ বিপৰীতে ধৰ্মেন্দ্ৰ প্ৰধান আৰু জুৱেল ওৰামে ওড়িয়া ভাষাত শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমীয়া ভাষাত আৰু কে ৰামমোহন নাইডুৱে তেলেগু ভাষাত শপত গ্ৰহণ কৰে।

অধিবেশনৰ কালছোৱাতে পৰহিলৈ লোকসভাৰ নতুন অধ্যক্ষৰ নিৰ্বাচন হোৱাৰ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা বৃহস্পতিবাৰে সংসদৰ দুয়োটা সদনৰে যুটীয়া বৈঠকত ভাষণ দিব। সেইদিনাই ৰাজ্যসভাৰ অধিবেশন আৰম্ভ হ'ব। আনহাতে, ৩ জুলাইত সংসদৰ অধিবশনৰ সামৰণি পৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে অষ্টাদশ লোকসভা অধিবেশন আজি বিকশিত ভাৰত নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰ সৈতে আৰম্ভ হৈছে। তেওঁ কয় যে তেওঁৰ চৰকাৰে দেশৰ সেৱা কৰিবলৈ আৰু জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ পূৰ্ণগতিত প্ৰয়াস চলাব। অধিবেশন আৰম্ভ হোৱা পূৰ্বে সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে চৰকাৰ চলাবলৈ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন, কিন্তু দেশ চলাবলৈ দেশৰ সহমতৰ অতি প্ৰয়োজন। তেওঁ কয় যে তেওঁৰ চৰকাৰে জনসাধাৰণৰ সৈতে সংবিধানৰ পৱিত্ৰতা ৰক্ষা কৰি ক্ষিপ্ৰ গতিত সিদ্ধান্ত গ্ৰহণ কৰি খোজে। প্ৰধানমন্ত্ৰীয়ে কয় যে স্বাধীনতা লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে লোকসভাৰ সাংসদসকলৰ শপত গ্ৰহণ কাৰ্যসূচী নতুন সংসদ ভৱনত অনুষ্ঠিত হৈছে। শ্ৰীমোডীয়ে লগতে কয় যে বিশ্বৰ সকলোতকৈ বৃহৎ নিৰ্বাচন প্ৰক্ৰিয়া গৌৰৱময় ভাৱে সম্পন্ন হৈছে। তেওঁ কয় যে স্বাধীনতা লাভ কৰাৰ পাছত দ্বিতীয়বাৰ দেশৰ জনসাধাৰণে একেৰাহে তৃতীয়বাৰলৈ কোনো এখন চৰকাৰক দেশৰ সেৱা কৰিবলৈ সুবিধা দিছে। তেওঁ অষ্টাদশ লোকসভা সাংসদসকলে জনসাধাৰণৰ আশা-আকাংক্ষাসমূহ পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে সামাজিক মাধ্যমত প্ৰচাৰিত মন্ত্ৰালয়ৰ দ্বাৰা জ্যেষ্ঠ নাগৰিকসকলক বিনামূলীয়া স্বাস্থ্য বীমা প্ৰদান কৰা হ'ব বুলি প্ৰচাৰ হোৱা এটা বাৰ্তা ভুৱা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে কৈছে যে এনেকুৱা কোনো ধৰণৰ তথ্য মন্ত্ৰালয়ৰ দ্বাৰা প্ৰচাৰ কৰা হোৱা নাই।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে দ্বাদশ পাছপোৰ্ট সেৱা দিৱস উপলক্ষে দেশৰ সকলো পাছপোৰ্ট সংস্থাক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত জয়শংকৰে নাগৰিক-কেন্দ্ৰিক বৈদেশিক নীতিৰ প্ৰচাৰৰ ক্ষেত্ৰত পাছপোৰ্ট সংস্থাৰ প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ লগতে পাছপোৰ্ট প্ৰেৰণ প্ৰক্ৰিয়াত হোৱা গুৰুত্বপূৰ্ণ উন্নয়নৰো শলাগ লয়। ড০ এছ জয়শংকৰে কয় যে পাছপোৰ্ট সেৱাসমূহ আৰু অধিক দ্ৰুতবেগী, বিশ্বাসযোগ্য, সহজলভ্য, স্বচ্ছ তথা নাগৰিকৰ সুবিধাৰ বাবে গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয় যে ২০২৩ চনত বৈদেশিক মন্ত্ৰালয়ে প্ৰায় ১ দশমিক ৬-৫ কোটি পাছপোৰ্ট জড়িত সেৱা নাগৰিকক প্ৰদান কৰিছে। নাগৰিকক ঘৰে ঘৰে পাছপোৰ্ট সেৱাসমূহ পঠিওৱাৰ বাবে মন্ত্ৰালয়ে ৪৪০টা ডাকঘৰ পাছপোৰ্ট সেৱা কেন্দ্ৰ স্থাপন কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে পাছপোৰ্ট পুলিচ এপে্ ২৫খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰায় ৯ হাজাৰটা আৰক্ষী চকী সামৰি লৈছে। কাগজবিহীন প্ৰ-পত্ৰকৰণৰ বাবে পাছপোৰ্ট সেৱা ব্যৱস্থা ডিজি লকাৰৰ সৈতে সংযুক্ত কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে পাছপোৰ্ট সেৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে দেশৰ উন্নয়নত প্ৰভাৱ পেলোৱাৰ ক্ষেত্ৰত পাছপোৰ্টে যাত্ৰাৰ নথিপত্ৰৰ এক উপাদান হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০০০০

জম্মু-কাশ্মীৰত কাশ্মীৰ স্বাস্থ্য সেৱা বিভাগৰ সঞ্চালক ডাঃ মুস্তাফ আহমেদ ৰাডাৰে এই মাহৰ ২৯ তাৰিখৰ পৰা আৰম্ভ হ'বলগীয়া পৱিত্ৰ অমৰনাথ যাত্ৰাৰ বাবে চন্দনৱাড়ী বেচ কেম্প হাস্পতালৰ পৰা শেষনাগ বেচ কেম্প হাস্পতাললৈ পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ কালছোৱাত তেওঁ পেহেলগামত স্থাপন কৰা স্বাস্থ্য সেৱা সুবিধাসমূহো নিৰীক্ষণ কৰে। তেওঁ বেচ হাস্পতাল চন্দনৱাড়ী, মিড পিচ্ছু, পিচ্ছু টপ, জজিবাল, নাগাকটি আৰু বেচ হাস্পতাল শেষনাগ পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালছোৱাত ডাঃ ৰাডাৰে স্বাস্থ্য সেৱাসমূহ সুচাৰুৰূপে কাৰ্যক্ষম কৰিবলৈ আৱশ্যকীয় কৰ্মচাৰী, আন্তঃগাঁথনি, ঔষধ আদিৰ লগতে আন আন স্বাস্থ্য সেৱা সম্পৰ্কীয় আহিলাপাতিৰ উপলভ্যতা সম্পৰ্কে বিস্তৃতভাৱে পৰ্যবেক্ষণ কৰে। সঞ্চালকগৰাকীয়ে কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ অসুবিধাসমূহ দূৰীকৰণৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ স্বাস্থ্যকৰ্মীসকলে স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত কৰি থকা প্ৰয়াসৰ প্ৰশংসা কৰে।

০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰৰ ভাবুকিৰ সৈতে মোকাবিলা শীৰ্ষক আলোচনা আগবঢ়োৱা হ'ব। এই অনুষ্ঠানত এন চি বিৰ উপ-সঞ্চালক প্ৰধান নীৰজ গুপ্তা আৰু আৰ এম এল হাস্পতালৰ ডাঃ লোকেশ শ্বেখাৱাটে অংশ গ্ৰহণ কৰিব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **নিচাযুক্ত দ্ৰব্য সেৱনৰ ভাবুকিৰ বিভিন্ন দিশ সম্পৰ্কে** সমল ব্যক্তি দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৯২৮৯০ ৯৪০৪৪ নম্বৰত ৱাটছএপ যোগেও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। ইয়াৰ লগতে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাত আজি ভাৰতে ছুপাৰ এইট পৰ্যায়ত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেণ্ট লুছিয়াৰ ডাৰেন ছাম্মী নেচনেল ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ'ব। দুয়োটা দলৰ মাজত অনুষ্ঠিত পূৰ্বৰ ৩১ খন টি-২০ খেলত ভাৰতে ১৯ খনত আৰু অষ্ট্ৰেলিয়াই ১১ খনত জয়লাভ কৰাৰ বিপৰীতে এখন খেল অমিমাংসিত হৈ ৰয়।

ইফালে, এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ্ ষ্টেডিয়ামত আজি পুৱা অনুষ্ঠিত এখন খেলত ৱেষ্ট ইণ্ডিজক তিনি উইকেটত পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত প্ৰৱেশ কৰে। ৱেষ্ট ইণ্ডিজে ১৭ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩৫ ৰান কৰে। বৰ্ষাবিঘ্নিত খেলখনত দক্ষিণ আফ্ৰিকাই ১৭ অভাৰত সংশোধিত ১২৩ ৰাণৰ বিজয় লক্ষ্যত উপনীত হয়।

OOOOOOO

**ঃ সমাপ্ত ঃ**